# 2025

## ASSAMESE

Paper : ASS0400204

( অসমীয়া কবিতা )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) মাধৱ কন্দলিৰ পৃষ্ঠপোষক কোন আছিল ?

(খ) শংকৰদেৱৰ ৰচনাৱলীৰ তাৰিখ নিৰূপণৰ একমাত্ৰ বাহ্যিক প্ৰমাণ কি ?

(গ) "গীতি-ৰামায়ণ বাল্মীকিৰ মহাকাব্যৰ গাঁৱলীয়া তাণ্ডৱণ মাথোন।" কোনে কৈছিল ?

(ঘ) ভোলানাথ দাসৰ 'সীতাহৰণ কাব্য' প্ৰথমে কি আলোচনীত প্ৰকাশ পাইছিল ?

(ঙ) প্ৰাক্-জোনাকী যুগৰ এগৰাকী কবিৰ নাম লিখা।

(চ) ৰঘুনাথ চৌধাৰীৰ কাব্যৰ দুটা স্পষ্ট আৰু সুকীয়া ধাৰা উল্লেখ কৰা।

(ছ) অজিৎ বৰুৱাৰ এখন কবিতা সংকলনৰ নাম লিখা।

(জ) নৱকান্ত বৰুৱাই কি গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) প্ৰাক্-শংকৰ যুগৰ সাহিত্য উৎসৰ ফালৰ পৰা কিহৰ ওচৰত শৰণাপন্ন?

(খ) পদ-ভাঙনিৰ ক্ষেত্ৰত শংকৰদেৱৰ আটাইতকৈ মনোৰম আৰু কবিত্বপূৰ্ণ ৰচনা কি?

(গ) দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ' কোনটো অংশত মাধৱ কন্দলিৰ পৰা আঁতৰি গৈছে?

(ঘ) অসমীয়া কবিতালৈ ভোলানাথ দাসৰ বৰঙণিৰ দুটা ঘাই বৈশিষ্ট্য কি কি?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুটি সাৰ্থক কাহিনী-কবিতাৰ নাম লিখা।

(চ) অসমীয়া ৰোমান্টিচিজমৰ প্ৰথম হোতা কোন? কেনেকৈ?

(ছ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'তুমি' আৰু 'বীণা'ত কি অনুভূতিৰ বিকাশ দেখা যায়?



(ঝ) নাটকীয় স্বগতোক্তি বুলিলে কি বুজা?

(ঞ) নৱকান্ত বৰুৱাৰ দুখন উপন্যাসৰ নাম লিখা।

(ট) ভাৰতীয় জ্ঞানপীঠ বঁটা পোৱা একমাত্ৰ অসমীয়া কবিজনা কোন? তেওঁৰ এখন কবিতা সংকলনৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ'ত অবাল্মীকীয় উপাদান সম্পৰ্কে চমুকৈ লিখা।

(খ) মাধৱ কন্দলিৰ ৰাজকীয় পৃষ্ঠপোষকতা সম্পৰ্কে লিখা।

(গ) ভোলানাথ দাসৰ 'মেঘ' কবিতাৰ শব্দ প্ৰয়োগ সম্পৰ্কে লিখা।

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়' কবিতাত আবেগ আৰু শব্দ প্ৰয়োগৰ সমতা সম্পৰ্কে লিখা।

(ঙ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'মোৰ বীণা' কবিতাত অতীন্দ্ৰিয় অনুভূতি কিদৰে মূৰ্ত হৈছে, দেখুওৱা।

(চ) দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাত প্ৰেম আৰু প্ৰকৃতিৰ সহাবস্থান কিদৰে হৈছে, নিদৰ্শনসহ দেখুওৱা।

(ছ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাত প্ৰজন্মৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে লিখা।

(জ) অজিৎ বৰুৱাৰ কবি-পৰিচয় প্ৰদান কৰা।

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) মাধৱ কন্দলিৰ কাব্যাংশ 'ৰামবিহীন অযোধ্যাৰ বৰ্ণনা'ৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(খ) শংকৰদেৱৰ 'শৰৎ বৰ্ণনা'ত ভক্তিতত্ত্ব কিদৰে উদ্ভাসিত হৈছে, নিদৰ্শনসহ ব্যাখ্যা কৰা।

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মালতী' কবিতাত ৱৰ্ডচৱৰ্থৰ প্ৰভাৱ প্ৰদৰ্শন কৰি কবিৰ মৌলিকতা ফঁহিয়াই দেখুওৱা।

(ঘ) ৰঘুনাথ চৌধাৰীৰ 'গোলাপ' কবিতাত কাব্য-দৃষ্টিৰ ৰূপায়ণ সম্পৰ্কে লিখা।

(ঙ) অজিৎ বৰুৱাৰ 'মন কুঁৱলী সময়'ত আধুনিকতাবাদী কবিতাৰ বৈশিষ্ট্য কিদৰে ফুটি উঠিছে, ফঁহিয়াই লিখা।

★★★

# 2025

## ASSAMESE

Paper : ASS0400104

( ভাষাবিজ্ঞান পৰিচয় )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) অসমীয়া ভাষাৰ এটা অঘোষ ধ্বনিৰ উদাহৰণ দিয়া।

(খ) শ্বাসাঘাত বিভাজ্য নে অবিভাজ্য ধ্বনি?

(গ) অসমীয়া ভাষাত ভাষা ঋণৰ শব্দ এটাৰ উদাহৰণ দিয়া।

(ঘ) স্বাভাৱিক ভাষাৰূপে ব্যৱহাৰ হ'লে মিশ্ৰিত ভাষাই কি নাম পায়?

(ঙ) *A Course in Modern Linguistics* নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(চ) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা-পৰিয়ালটোৰ নাম কি?

(ছ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোটটোৰ নাম কি?

(জ) 'বননি'—এই শব্দটোত থকা মুক্ত প্ৰাকৃতিটো কি?

২। চমু উত্তৰ দিয়া (যি কোনো ছটা) : ২×৬=১২

(ক) চম্স্কিৰ মতে ভাষাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) কোনজন পণ্ডিতে, কেতিয়া, ক'ত প্ৰদান কৰা ভাষণত তুলনামূলক ভাষাবিজ্ঞানৰ সূত্ৰপাত কৰিছিল?

(গ) বলৰ উচ্চাৰণ কাক বোলে? বাক্য এটাৰ উদাহৰণ দি উচ্চাৰণটো চিহ্নিত কৰা।

(ঘ) গঠনগতভাৱে সৰ্গক কি দুটা ভাগত ভগাব পাৰি? প্ৰত্যেকৰে এটাকৈ উদাহৰণ দিয়া।

(ঙ) অসমীয়া ভাষাত বাক্য গঠনৰ ক্ৰম কি? এটা উদাহৰণৰ সহায়ত দেখুওৱা।

(চ) ধ্বনিবিজ্ঞানত কি আলোচনা কৰা হয়? ইয়াৰ মূল শাখাসমূহৰ নাম লিখা।

(ছ) আন্তৰ্জাতিক ধ্বনিলিপি (IPA) কি? অসমীয়া ভাষাৰ /ই/ ধ্বনিক IPA-ত কেনেকৈ লিখা হয়?

(জ) মানভাষা আৰু উপভাষাৰ দুটা পাৰ্থক্য লিখা।

(ঝ) ব্যক্তি ভাষা মানে কি? এটা উদাহৰণ দিয়া।

(ঞ) পৰিস্থিতি নিৰ্ভৰ ভাষাৰ দুটা উদাহৰণ দিয়া।





৩। চমুকৈ লিখা (যি কোনো চাৰিটা) : [illegible]

(ক) বাক্য গঠনৰ বাবে পদৰ কেনেধৰণৰ যোগ্যতাৰ প্ৰয়োজন হয়? চমুকৈ লিখা।

(খ) অসমীয়া ভাষাৰ উদ্ভৱৰ [illegible] চমু টোকা লিখা।

(গ) বিশিষ্ট ধ্বনি বা বৰ্ণ (Phoneme) আৰু উপধ্বনি (Allophone)ৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(ঘ) ধ্বনি উৎপাদনত স্বৰতন্ত্ৰী (vocal cords)ৰ ভূমিকা সম্পৰ্কে লিখা।

(ঙ) ৰূপধ্বনি সাপেক্ষতা সম্পৰ্কে চমুকৈ লিখা।

(চ) প্ৰায়োগিক ভাষাবিজ্ঞান সম্পৰ্কে এটি চমু টোকা লিখা।

(ছ) পিজিন সম্পৰ্কে এটি চমু টোকা প্ৰস্তুত কৰা।

(জ) ভাষাৰ উৎপত্তি সম্পৰ্কীয় মতবাদ এটা ব্যাখ্যা কৰা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) ভাষাৰ শ্ৰেণীবিভাজন সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(খ) বাগিন্দ্ৰিয় বুলিলে কি বুজা? উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

# 2025

## ASSAMESE

Paper : ASS0400304

( অসমীয়া লিপিৰ পৰিচয় )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×৮=৮

(ক) এটা মাত্ৰ চিহ্নই একাধিক ধ্বনিক প্ৰতিনিধিত্ব কৰা লিপিটোৰ নাম কি?

(খ) ভাৰতবৰ্ষত ব্ৰাহ্মীলিপি কোন শতিকাৰ পৰা ব্যৱহৃত হোৱাৰ প্ৰমাণ পোৱা গৈছে?

(গ) কোন ৰাজবংশই পোনপ্ৰথম ব্ৰাহ্মীলিপিৰে সংস্কৃত ভাষা লিখিছিল?

(ঘ) লিপিৰ বিষয়ে লিখা প্ৰথম অসমীয়া গ্ৰন্থখন কি?

(ঙ) ১৯৫৫ চনত অসমত উদ্ধাৰ হোৱা শিলালিপিখন কি?

(চ) ১৯১২ চনত উদ্ধাৰ হোৱা ভাস্কৰ বৰ্মাৰ তাম্ৰশাসনখনক কি নাম দিয়া হৈছে?

(ছ) *The Evolution of Assamese Script* গ্ৰন্থখনৰ লেখক কোন?

(জ) অসমীয়া লিপিত প্ৰথম ছপাকৰা গ্ৰন্থখন কোন চনত প্ৰকাশ পাইছিল?

২। যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ২×৬=১২

(ক) ভাৱধ্বনিলিপি কি? ভাৰতবৰ্ষৰ কোন লিপিয়ে ইয়াৰ নিদৰ্শন দাঙি ধৰে?

(খ) খৰোষ্ঠীলিপি ভাৰতবৰ্ষৰ কোন জনগোষ্ঠীয়ে ব্যৱহাৰ কৰিছিল? ইৰানী ভাষাত এই লিপিৰ ব্যাখ্যা কেনেদৰে কৰা হৈছে?

(গ) ব্ৰাহ্মীলিপিৰ কোনটো যুগক স্বৰ্ণযুগ আখ্যা দিয়া হৈছে? এই সময়ত প্ৰাধান্য লাভ কৰা ভাষাটো কি?

(ঘ) বৰগঙ্গা লিপিখন কোন শতিকাৰ? ইয়াত কোন ৰজাৰ উল্লেখ পোৱা গৈছে?

(ঙ) ভাস্কৰ বৰ্মাৰ ডুবি তাম্ৰশাসনখনত কেইখন ফলক আছিল? এই শাসনখন কাক প্ৰদান কৰা হৈছিল?

(চ) নগাজৰী খনিকৰ গাঁৱৰ লিপিখন কিমান চনত উদ্ধাৰ হৈছিল? ই অসমৰ কোন জিলাত অৱস্থিত?

(ছ) কানাই বৰশী বোৱা শিলালিপিখন কোন চনত আৱিষ্কাৰ হৈছিল? ইয়াত উল্লেখ থকা যুদ্ধখনৰ সময় কিমান?



*(Continued)*



(জ) আহোমসকলে লিখা হাতে লিখা পুথিৰ লিপি কি নামেৰে পৰিচিত? এওঁলোকে তাম্ৰশাসনত লিখা লিপি অসমৰ কি নামেৰে উল্লেখ কৰিছে?

(ঝ) পুৰণি অসমীয়া হাতে লিখা পুথিত 'লেখক' আৰু 'লিখক' অভিধা দুটিৰে কাক বুজোৱা হয়?

(ঞ) অসমীয়া হাতে লিখা পুথিৰ লিপিক কাইথেলী, বামুনীয়া আৰু গড়গঞা শৈলীত শ্ৰেণীবিভাজন কৰা ব্যক্তিগৰাকী কোন আছিল? তেওঁ কোনখন গ্ৰন্থত এই শ্ৰেণীবিভাজনৰ উল্লেখ কৰিছে?

৩। চমুকৈ আলোচনা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপি আৰু ইয়াৰ ভাষা

(খ) কানাই বৰশী বোৱা লিপি আৰু ইয়াৰ ৰাজনৈতিক গুৰুত্ব

(গ) অশোককালীন ব্ৰাহ্মীলিপি আৰু ইয়াৰ ভাষা

(ঘ) অসমৰ হাতে লিখা পুথি আৰু ইয়াৰ বৈশিষ্ট্য

(ঙ) ভাস্কৰ বৰ্মাৰ ডুবি তাম্ৰশাসন আৰু ইয়াৰ বিষয়বস্তু

(চ) ধৰ্ম পুস্তক আৰু ইয়াৰ আখৰ

(ছ) সাঁচিপাত আৰু তুলাপাতৰ প্ৰস্তুত পদ্ধতি

(জ) ভাৰতবৰ্ষৰ শাৰদা আৰু শ্ৰীহৰ্ষলিপিৰ পৰিচয়



*(Turn Over)*

৪। বহলাই আলোচনা কৰা (যি কোনো দুটা) : ১০×২=২০

(ক) লিপিৰ স্বৰূপ ব্যাখ্যা কৰা আৰু ইয়াৰ বিকাশৰ স্তৰসমূহ উল্লেখ কৰি এটি আলোচনা যুগুত কৰা।

(খ) ভাৰতত বহুল প্ৰচলিত আটাইতকৈ প্ৰাচীন লিপিটো কি? ইয়াৰ স্তৰসমূহ দেখুৱাই প্ৰতিটো স্তৰৰ বিষয়ে একোটি পৰিচয় দাঙি ধৰা।

(গ) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

(ঘ) অসমীয়া হাতে লিখা পুথিৰ লিখন সামগ্ৰী আৰু লেখন কলাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঙ) অসমত লিপিচৰ্চাৰ ইতিহাস সমন্ধে এটি নিবন্ধ যুগুত কৰা।

★★★

2025

# ASSAMESE

Paper : ASS0400404

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৮=৮

(ক) 'অসমীয়া জনসাহিত্য' গ্ৰন্থৰ লেখক কোন?

(খ) এবিধ ধৰ্মনিৰপেক্ষ লোকগীতৰ নাম লিখা।

(গ) 'মহোহো উৎসৱ' কেতিয়া পালন কৰা হয়?

(ঘ) 'তেজীমলা'ৰ সাধুটো কোন শ্ৰেণী সাধুকথাৰ ভিতৰুৱা?

(ঙ) লোককথাৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(চ) *Ballads and Tales of Assam* গ্ৰন্থখনৰ লেখকজনৰ নাম লিখা।

(ছ) লোকসাহিত্যৰ এটা বৈশিষ্ট্য লিখা।

(জ) অসমৰ কোনটো উৎসৱত শাকতোলা গীত গোৱা হয়?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) দুবিধ ধৰ্মমূলক লোকগীতৰ নাম লিখা।

(খ) বিহুগীতৰ ভাগ দুটা কি কি?

(গ) 'জিকিৰ' শব্দটো ক'ৰ পৰা আহিছে আৰু ইয়াৰ অৰ্থ কি?

(ঘ) অসমীয়া মালিতাক ইংৰাজী আৰু বাংলা ভাষাত কি বুলি কোৱা হয়?

(ঙ) দুবিধ অলৌকিক মালিতাৰ নাম উল্লেখ কৰা।

(চ) প্ৰবাদ-প্ৰবচনৰ দুটা বিশেষত্ব উল্লেখ কৰা।

(ছ) দুখন লোকসংস্কৃতি-বিষয়ক গ্ৰন্থৰ নাম লিখা।

(জ) লোককথা প্ৰধানতঃ কেইপ্ৰকাৰৰ আৰু কি কি?

(ঝ) লোকবিদ্যা বিজ্ঞানৰ পিতৃস্বৰূপ গ্ৰিম ভাতৃদ্বয়ৰ নাম কি কি?

(ঞ) উদ্দেশ্যৰ ফালৰ পৰা মন্ত্ৰ দুই প্ৰকাৰৰ, নাম দুটা উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) নিচুকণি গীত

(খ) মন্ত্ৰসাহিত্য

(গ) জন্তুকেন্দ্ৰিক সাধুকথা



(ঘ) হুদুমদেও পূজা

(ঙ) নাওখেলৰ গীত

(চ) বাৰমাহী আৰু বিলাপগীত

(ছ) সাঁথৰ

(জ) আলি-আই-লিগাং

৪। ৰচনাধৰ্মী প্ৰশ্নৰ উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) অনুষ্ঠানমূলক লোকগীত বুলিলে কি বুজা? ইয়াৰ বিভিন্ন বিভাগসমূহৰ বিষয়ে বহলাই লিখা।

(খ) কৃষিকেন্দ্ৰিক লোক-উৎসৱসমূহৰ বিষয়ে এটা প্ৰবন্ধ যুগুত কৰা।

(গ) মালিতাৰ শ্ৰেণীবিভাগ দেখুৱাই ঐতিহাসিক মালিতাৰ বিষয়ে বহলাই আলোচনা কৰা।

(ঘ) লোককথা বুলিলে কি বুজা? লোককথাৰ প্ৰধান ভাগসমূহৰ বিষয়ে বহলাই লিখা।

(ঙ) সাধুকথাসমূহৰ শ্ৰেণীবিভাজন কৰি প্ৰত্যেকটো ভাগৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

★★★